# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 09-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**:::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মহিলা আৰু শিশু বিকাশ বিভাগৰ দুদিনীয়া শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। চৰকাৰে অ-তালিকাভুক্ত কৰ্কট ৰোগ প্ৰতিৰোধী ঔষধৰ যোগান আৰু বিক্ৰীৰ ক্ষেত্ৰত লভ্যাংশৰ উৰ্ধতম সীমা সৰ্বোচ্চ খুচুৰা মূল্যৰ ৩০ শতাংশত সীমাবদ্ধ ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। ৰিয়াধত থকা ভাৰতীয়দূতাবাসে চৌডি আৰবৰ পৰিস্থিতিলৈ চাই দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলক সতৰ্ক হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়াইছে।

৪। প্ৰসিদ্ধ অভিনেতা নানা পাটেকাৰৰ শেষ কৃত্ব যোৱা নিশা মহাৰাষ্টৰ পুনেৰ দোঞ্জেত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়।

*আৰু*

৫। ভাৰতী আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাছীত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মহিলা আৰু শিশু বিকাশ বিভাগৰ দুদিনীয়া শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কালি আৰম্ভ হোৱা এই সন্মিলনত সকলো ৰাজ্যৰ ৰাজনৈতিক নেতা আৰু মহিলা তথা শিশুৰ বিকাশৰ সৈতে জড়িত বিষয়াসকলে অংশ লৈছে। সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ সুদৃঢ় কৰা, ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ প্ৰতি সমূহীয়া দায়িত্বৰ ভাবনাৰ প্ৰসাৰ আৰু কেন্দ্ৰ তথা ৰাজ্যৰ মাজত উন্নত সমন্বয়েৰে লক্ষ্যত উপনীত হোৱাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পৰিকল্পা অনুযায়ী আয়োজন কৰা বিভাগীয় শীৰ্ষ সন্মিলন শৃংখলাৰ এয়া দ্বিতীয়খন সন্মিলন। এই সন্মিলনত পৰিপুষ্টি, প্ৰাৰম্ভিক শিক্ষা, শিশুৰ সুৰক্ষা, মহিলাৰ সুৰক্ষা আৰু সৰলীকৰণকে ধৰি চাৰিটা মূল বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ টি পৰিষদে গ্ৰহণ কৰা নতুন সংস্কাৰমূলক পদক্ষেপসমূহক আদৰণি জনাইছে। এটা সামাজিক মাধ্যমৰ বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, গ্ৰেপ্তাৰ সংক্ৰান্তীয়

নিয়মাৱলী প্ৰত্যাহাৰ, অপৰাধমুক্তকৰণ আৰু সৰলীকৃত কাৰ্যপদ্ধতি সন্দৰ্ভত পৰিষদে আগবঢ়োৱা পৰামৰ্শসমূহে ইতিবাচক প্ৰভাৱ পেলাব।

শ্ৰীমোদীয়ে উল্লেখ কৰে যে - ক্ষিপ্ৰ সিদ্ধান্ত গ্ৰহণ, প্ৰশাসনিক ব্যয় হ্ৰাস, স্বয়ংক্ৰিয় ধন ঘূৰাই দিয়াৰ ব্যৱস্থা আৰু বিশ্বস্ত প্ৰশাসন নিশ্চিত কৰাৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। জি এছ টি ব্যৱস্থাক অধিক দক্ষ, স্বচ্ছ আৰু নাগৰিককেন্দ্ৰিক কৰাৰ বাবে চৰকাৰে চলাই থকা নিৰন্তৰ প্ৰচেষ্টাৰ অংশস্বৰূপেই এই সংস্কাৰসমূহ সাধন কৰা বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

চৰকাৰে অ-তালিকাভুক্ত কৰ্কট ৰোগ প্ৰতিৰোধী ঔষধৰ যোগান আৰু বিক্ৰীৰ ক্ষেত্ৰত লভ্যাংশৰ উৰ্ধতম সীমা সৰ্বোচ্চ খুচুৰা মূল্যৰ ৩০ শতাংশত সীমাবদ্ধ ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই ব্যৱস্থাৰ ফলত ঔষধৰ মূল্য ৭০ শতাংশ পৰ্যন্ত হ্ৰাস পাব আৰু কৰ্কটৰোগীসকলৰ বছৰি আঢ়ৈ হাজাৰ কোটি টকা ৰাহি হ'ব বুলি ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। কৰ্কট ৰোগৰ তালিভুক্ত অত্যাৱশ্যকীয় ঔষধসমূহৰ মূল্য চৰকাৰে বান্ধি দিয়া সৰ্বোচ্চ সীমা অনুযায়ী নিৰ্ধাৰণ কৰি অহা হৈছিল আৰু এতিয়া লভ্যাংশ নিয়ন্ত্ৰণ কৰি অ-তালিকাভুক্ত ঔষধসমূহকো মূল্য সুৰক্ষাৰ এই ব্যৱস্থাৰ আওতালৈ অনা হৈছে। স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত এখন বিশেষজ্ঞ সমিতিয়ে সামৰি ল'বলগীয়া ঔষধৰ তালিকা চূড়ান্ত কৰাৰ পাছত ৰাষ্ট্ৰীয় ভেষজ মূল্য নিৰ্ধাৰণ প্ৰাধিকৰণে এই সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি ত্ৰিপুৰাত অভিলাষী জিলা আৰু প্ৰাণৱন্ত গাঁও আঁচনিৰ মাজেৰে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে সেই বিষয়ে আলোকপাত কৰা হৈছে।

নীতি আয়োগৰ অভিলাষী জিলা কাৰ্যসূচীৰ অধীনত ত্ৰিপুৰাৰ দূৰনীবটিয়া ঢলাই জিলাত নাটকীয় পৰিৱৰ্তন ঘটিছে। মাতৃত্বকালীন স্বাস্থ্য সেৱা, প্ৰাথমিক শিক্ষা, ক্ষুদ্ৰ জলসিঞ্চন, শিক্ষাৰ মান আৰু গ্ৰামাঞ্চলৰ পথ যোগাযোগৰ ক্ষেত্ৰত গ্ৰহণ কৰা লক্ষ্য নিৰ্ধাৰিত ব্যৱস্থাৰ ফলত জিলাখনত আৰ্থ সামাজিক স্থিতি ক্ৰমান্বয়ে উন্নত হৈছে। বাস্তৱিক সময়ভিত্তিক ডেল্টা ৰেংকিং আৰু প্ৰদৰ্শন আধাৰিত উদগনিৰ বলত জিলাখনে নিৰন্তৰ সমগ্ৰ দেশৰ শ্ৰেষ্ঠ পাৰদৰ্শন কৰা জিলাসমূহৰ তালিকাত স্থান পাবলৈ সমৰ্থ হৈছে। জিলাখন তথ্য ভিত্তিক প্ৰশাসন আৰু স্থনীয় সম্পদৰ সমন্বয়ে এসময়ত পিছ পৰি থকা জনজাতীয় অঞ্চলসমূহক কিদৰে ত্ৰিণমূল পৰ্যায়ৰ উন্নয়নৰ আৰ্হিলৈ ৰূপান্তৰ কৰিছে তাৰ উজ্জ্বল নিদৰ্শন হৈ পৰিছে।

ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীয়ে বাংলাদেশৰ সৈতে থকা ত্ৰিপুৰাৰ ৮৫৬ কিলোমিটাৰ জোৰা সীমান্তৰ সমীপৰ গাঁওসমূহক স্বাৱলম্বী কৰি তুলিছে। অত্যাধুনিক ডিজিটেল নেটৱৰ্ক, সকলো সময়তে ব্যৱহাৰৰ উপযোগী পথ, নলযোগে খোৱা পানী যোগান আৰু সৌৰ শক্তি কেন্দ্ৰিক উদ্যমসমূহে দীৰ্ঘদিনীয়া আন্তঃগাঁথনি ব্যৱধান দূৰ কৰিছে। এই উদ্যমে স্থানীয় হস্তশিল্প,

পৰিৱেশ অনুকূল পৰ্যটন আৰু সীমান্ত ব্যৱসায়ত উদগনি যোগাই স্থানীয় ব্যৱসায় সূচল কৰি তুলিছে, প্ৰব্ৰজন ৰোধ কৰিছে আৰু সক্ৰিয় তথা দৃঢ় সীমান্তৱৰ্তী সমাজ গঢ়ি ৰাষ্ট্ৰীয় নিৰাপত্তা সুদৃঢ় কৰাত সহায় কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ এই দ্বৈত উদ্যমে ত্ৰিপুৰাৰ বিভিন্ন অঞ্চলৰ গাঁথনিগত আৰু ভৌগোলিক উভয় প্ৰকাৰৰ ব্যৱধান দূৰ কৰিছে। দূৰনিৰ্বটীয়া অনগ্ৰসৰ খণ্ডসমূহত মানৱ সম্পদৰ বিকাশ আৰু সীমান্তৱৰ্তী অঞ্চলৰ কৌশলগত যোগাযোগ ব্যৱস্থাৰ উন্নয়নেৰে এই কাৰ্যসূচীসমূহে দুৰ্গম অঞ্চলৰ পৰা সীমান্তৰ গাতে লাগি থকা গাঁৱৰ প্ৰতিগৰাকী নাগৰিকক ৰাজ্যখনৰ সামগ্ৰীক বিকাশ গাঁথাত অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰিছে।

০০০০০

ৰিয়াধত থকা ভাৰতীয়দূতাবাসে চৌডি আৰবৰ শেহতীয়া পৰিস্থিতিলৈ চাই দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলক সতৰ্ক হৈ আৰু ঘৰৰ ভিতৰতে থাকিবলৈ পৰামৰ্শ আগবঢ়াইছে। দূতাবাস কৰ্তৃপক্ষই লগেত ভাৰতীয় নাগৰিকসকলক ঘটনাৰ সৈতে জড়িত ভিডিঅ' আৰু বাতৰি প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। তেওঁলোকক লগতে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা নীতি-নিৰ্দেশনা মানি চলিবলৈ কোৱা হৈছে। ৰিয়াধত থকা ভাৰতীয় দূতাবাস আৰু জেড্ডাহত থকা বাণিজ্যিক দূতাবাস আৰু ভি এফ এছৰ মাধ্যমেৰে প্ৰদান কৰা আউট চ'ৰ্চড সেৱা স্বাভাৱিকভাৱে চলি আছে। প্ৰবাসী ভাৰতীয় সহায় কেন্দ্ৰৰ অহৰ্নিশে খোলা থকা হেল্পলাইন নম্বৰো সক্ৰিয় হৈ আছে। এই বিনামূলীয়া হেল্পলাইন নম্বৰটো হৈছে ৮০০২৪ ৭১২৩৪।

০০০০০

হুটী বিদ্ৰোহীয়ে চৌডি আৰবৰ ৰিয়াঢৰ কিং খালীদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, নজৰান বিমান বন্দৰ আৰু খামিছ মুছেইটস্থিত এটা বিমান ঘাটিক লক্ষ্য কৰি কালি নতুনকৈ মিছাইলেৰে আক্ৰমণ কৰা বুলি দাবী কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি হুটী বিদ্ৰোহীয়ে কৰ্মচাৰীসকলক চৌডি আৰবত তেল উৎপাদন স্থলী আৰু বিমান বন্দৰৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিছে। বিদ্ৰোহীসকলে এই স্থানসমূহক সম্ভব্য আক্ৰমণৰ লক্ষ্য বুলি চিহ্নিত কৰিছে। ইয়াৰ প্ৰত্যুত্তৰত চৌডি আৰবৰ নেতৃত্বত মিত্ৰজোঁটে ইয়াৰ বায়ু প্ৰতিৰক্ষা প্ৰণালীয়ে তিনিটা বেলিষ্টিক ক্ষেপনাস্ত্ৰ ধ্বংস কৰা বুলি প্ৰকাশ কৰিছে। মিত্ৰজোঁটে লগতে হুটী বিদ্ৰোহীৰ আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব বুলি জানিবলৈ দিছে। এই আক্ৰমণৰ ফলত আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাও ব্যাহত হৈছে। এয়াৰ ইণ্ডিয়া, ইণ্ডিগ' আৰু অকাছাসহ কেইবাটাও বিমান পৰিবহন কোম্পানীয়ে ৰিয়াধলৈ সেৱা সাময়িকভাৱে বন্ধ কৰিছে।

০০০০০

**বিশিষ্ট অভিনেতা নানা পাটেকাৰৰ শেষকৃত্য যোৱা নিশা মহাৰাষ্ট্ৰৰ পুনেৰ দোঞ্জেত থকা তেওঁৰ নিজা ফাৰ্মহাউছ(বাসভৱন)ত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন হয়। নিশা তেওঁৰ পুত্ৰ মলহাৰ পাটেকাৰে পৰিয়াল আৰু গুণমুগ্ধসকলৰ উপস্থিতিত দাহ-সংস্কাৰ প্ৰক্ৰিয়া সম্পন্ন কৰে। শেষকৃত্যৰ পূৰ্বে জ্যেষ্ঠ অভিনেতাগৰাকীক সশস্ত্ৰ গাৰ্ড অৱ অনাৰো প্ৰদান কৰা হয়।**

ইয়াৰ পূৰ্বে পুনেত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱীছ, উপ-মুখ্যমন্ত্ৰী একনাথ শিন্দে আৰু সুনেত্ৰা পাৱাৰে তথা দ'ঞ্জেত কেন্দ্ৰীয় মন্ত্ৰীসকলৰ লগতে চলচ্চিত্ৰ জগতৰ বহু বিশিষ্ট ব্যক্তিয়ে তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনেতাগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি কয় যে, হিন্দী আৰু মাৰাঠী ছবিজগতলৈ তেওঁৰ অনন্য অৱদান সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁৰ বিয়োগত দেশে এগৰাকী সংবেদনশীল আৰু নিষ্ঠাপূৰ্ণ শিল্পী হেৰুওৱা বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

০০০০০

প্ৰাপ্তি আৰু লাভাংশ ভাগ-বাটোৱাৰা নীতিৰ অধীনত ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণ NBA-ই চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা ছেপ্টেম্বৰ মাহৰ ভিতৰত ৯ কোটি ৬৮ লাখ টকা সংগ্ৰহ কৰিছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, সংগৃহীত মুঠ ৰাজহৰ ৯ কোটি ৫৬ লাখ টকা বিভিন্ন খণ্ডৰ জৈৱিক সম্পদ ব্যৱহাৰৰ বাবদ পোৱা গৈছে। ইয়াৰে, কৃষি-বীজ খণ্ডই ৭ কোটি ১৬ লাখ টকাৰ সৰ্বাধিক বৰঙণি যোগোৱাৰ বিপৰীতে খাদ্য আৰু পানীয় খণ্ডৰ পৰা ১ কোটি ৫৭ লাখ টকা আৰু পশুপালন খণ্ডৰ পৰা ৬২ লাখ ১ হাজাৰ টকা লাভ কৰা হৈছে।

২০০৮ চনৰ পৰা বৰ্তমানলৈকে প্ৰাধিকৰণে প্ৰায় ২৭৮ কোটি টকা সংগ্ৰহ কৰিছে। ইয়াৰে ২০০ কোটিতকৈও অধিক টকা জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ কৃষক, স্থানীয় সম্প্ৰদায়, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অংশীদাৰসকলৰ কল্যাণৰ বাবে বিতৰণ কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাঁচীত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে অধিনায়ক শ্ৰেয়াছ আয়াৰৰ আকৰ্ষণীয় শতকৰ সহায়ত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০

সমাপ্ত